Sample question paper 2022-2023

www.CBSEtips.in1

Class:X

Subject: Assamese

Subject Code:014

Time:3 hours. Full marks: 80

General instructions:

1.There are 4 sections.

2.Each MCQ carry 1 mark.

3. Please follow specific instructions for each questions.

4.There will be no negative marking.

## Section-A

## Comprehension (বোধ পৰীক্ষণ)

১/ তলত দিয়া অনুচ্ছেদটো ভালদৰে পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাচি লিখা : ১×৯=৯

গ্ৰন্থৰ উৎসৰ বহু পুৰণি।অৱশ্যে আমাৰ দেশত ই নতুন।বিশ্বৰ প্ৰথমখন গ্ৰন্থ মেলা হ'ল ১৪৬২চনত জাৰ্মানীৰ ফ্ৰেংকফোৰ্টত অনুষ্ঠিত গ্ৰন্থ প্ৰদৰ্শনী খন। এশ বছৰমান ধৰি এই গ্ৰন্থ প্ৰদৰ্শনী খন চলাৰ পিছত ইয়াৰ স্থান সলনি কৰি লিপ্ জিগলৈ অনা হয়। প্ৰায় একে লেঠাৰিয়ে চলি থকা এই প্ৰদৰ্শনী খনৰ বিৰতি পৰিল দ্বিতীয় মহাসমৰত। ইয়াৰ পিছত ১৯৪৯ চনত পুনৰ এই গ্ৰন্থমেলা আৰম্ভ হয়। ইয়েই আছিল পৃথিৱীৰ সৰ্ববৃহৎ গ্ৰন্থমেলা।

পৃথিৱীৰ প্ৰায় আটাইবোৰ দেশেই এই গ্ৰন্থমেলাত অংশগ্ৰহণ কৰিছিল। অৱশ্যে এই মেলা মূলত গ্ৰন্থ ব্যৱসায়ৰ লগত জড়িত সকলৰ মাজতহে আৱদ্ধ আছিল।ইয়াত সাধাৰণ পাঠকৰ বাবে কোনো গ্ৰন্থ বিক্ৰী কৰা হোৱা নাছিল।গ্ৰন্থ ব্যৱসায়ী সকলৰ বিভিন্ন লেনদেনৰ মাজতে এই গ্ৰন্থ মেলা আৱদ্ধ আছিল। তথাপিও এই গ্ৰন্থ মেলাই বিশ্বৰ গ্ৰন্থপ্ৰেমী সকলৰ

বাবে এক নতুন দিগন্তৰ সূচনা কৰিলে আৰু যাৰ ফলত সমগ্ৰ বিশ্বতে www.CBSEtips.in2
গ্ৰন্থমেলাসমূহে প্ৰভূত জনপ্ৰিয়তা আৰু স্বীকৃতি আদায় কৰিবলৈ সক্ষম হ'ল।

ভাৰতত গ্ৰন্থমেলাৰ জোৱাৰ অনুভূত হয় ১৯৭২ চনত।১৯৭২চনতেই দিল্লীত অনুষ্ঠিত বিশ্ব গ্ৰন্থমেলাৰ জৰিয়তে ভাৰতৰ প্ৰকাশন জগতৰ আন্তৰ্জাতিক স্তৰৰ লগত পৰিচয় স্থাপন হয়।ভাৰতত গ্ৰন্থমেলাই ভূমুকি মৰাৰ নিচেই কম সময়ৰ ভিতৰতে অসমতো গ্ৰন্থমেলাৰ জোৱাৰ অনুভূত হয়। ১৯৮৪ চনৰ নেচনেল বুক ট্ৰাষ্ট আৰু প্ৰকাশন পৰিষদৰ যুটীয়া উদ্যোগত অনুষ্ঠিত আঞ্চলিক গ্ৰন্থমেলাতেই( Regional Book Fair) সম্ভৱত ইয়াৰ প্ৰথম প্ৰকাশ। আপাত দৃষ্টিত গ্ৰন্থমেলা কেৱল গ্ৰন্থ বিক্ৰী আৰু প্ৰদৰ্শনীৰ বাবে অনুষ্ঠিত হয় যেন লাগিলেও ইয়াৰ আন কেইটামান দিশো লক্ষণীয়। লেখক, পাঠক আৰু প্ৰকাশকৰ নিকট সম্পৰ্ক, পাৰস্পৰিক বিশ্বাস আৰু আস্থাৰ ওপৰত ভিত্তি কৰিয়েই বৰ্তি আছে প্ৰকাশন জগত। গ্ৰন্থমেলাই এই সম্পৰ্ক আৰু আস্থা সুদৃঢ় কৰাৰ সুযোগ দান কৰিব পাৰে।

প্ৰশ্ন:

ক)বিশ্বৰ প্ৰথমখন গ্ৰন্থমেলা কেতিয়া অনুষ্ঠিত হৈছিল?
i)১৫৬২
ii)১৪৬২
iii)১৪২৬
iv)৬২১৫

খ)পৃথিৱীৰ সৰ্ববৃহৎ গ্ৰন্থমেলা খন ক'ত অনুষ্ঠিত হৈছিল?
i) লিপ্ জিগত
ii) ফ্ৰংকফোৰ্টত
iii) জাৰ্মানীত
iv) দিল্লীত

গ)ভাৰতীয় গ্ৰন্থমেলাৰ কিমান চনত আন্তৰ্জাতিক স্তৰৰ লগত পৰিচয়

স্থাপন হয়?
i)১৯৭১
ii)১৮৭২
iii)১৯৭৬
iv)১৯৭২

ঘ)১৯৭২ চনত  জোৱাৰ অনুভূত হয়---
i) বিশ্ব গ্ৰন্থমেলাৰ
ii) ভাৰতৰ গ্ৰন্থমেলাৰ
iii) দিল্লী গ্ৰন্থমেলাৰ
iv) আঞ্চলিক গ্ৰন্থমেলাৰ

ঙ) বিশ্বত নতুন দিগন্তৰ সূচনা কৰা গ্ৰন্থমেলাখন হ'ল--
i) জাৰ্মানী
ii) ফ্ৰেংকফোট
iii) ভাৰত
iv) লিপ্ জিগ

চ)--------গ্ৰন্থমেলাখন আছিল এশবছৰমান একেৰাহে চলি থকা গ্ৰন্থমেলা।
i) ভাৰতৰ
ii) জাৰ্মানীৰ
iii) ফ্ৰেংকফোটৰ
iv) লিপ্ জিগৰ

ছ) বিপৰীত শব্দ লিখা- প্ৰকাশ
i) অনুপ্ৰকাশ
ii) গোপন
iii) প্ৰকাশহীন
iv) গোপনে

www.CBSEtips.in4

জ) লিংগ পৰিবৰ্তন কৰা- " ই "
i) সি
ii) তেওঁ
iii)তাই
iv)এই

ঝ)সমাৰ্থক শব্দ লিখা- বসুধা
i) মেঘ
ii) ক্ষমা
iii) দিননাথ
iv) পৃথিৱী

ঞ) প্ৰকাশন জগতৰ সুস্থিৰতাৰ ক্ষেত্ৰত গ্ৰন্থমেলাৰ ভূমিকা কি ? ২

ট) পৃথিৱীৰ সৰ্ববৃহৎ গ্ৰন্থমেলা খনৰ বৈশিষ্ট্য কি আছিল? ২

ঠ) কাৰ যুটীয়া উদ্যোগত অসমত গ্ৰন্থমেলাই প্ৰকাশ লাভ কৰে? ২

## Section-B
## (লিখন কলা)

২/ক) তলত দিয়া সংকেত বাক্যৰ সহায়ত গল্পটো সম্পূৰ্ণ কৰা:
শিৰোনাম আৰু নীতিশিক্ষা দিবা। ৫
গৰমৰ দিন......হাবিৰ মাজত.. সিংহৰ জিৰণি..... এটা নিগনি....
ভুলক্ৰমে সিংহৰ গাৰ ওপৰত....সিংহৰ খং.....নিগনিক খাব খুজিলে...
নিগনিৰ কাতৰ অনুৰোধ..... সিংহৰ দয়া..হাবিৰ মাজত চিকাৰীৰ
জাল....সিংহ জালত.....সহায়ৰ বাবে চিঞৰ....দৌৰি আহিল..... জাল

কুটিলে... ...সিংহৰ প্ৰাণ ৰক্ষা....নিগনিৰ শলাগ ল'লে।

নাইবা,

খ) যিকোনো এখন ৰচনা লিখা- ৫

i) সময়ৰ মূল্য

ii) নিয়মানুৱৰ্তিতা

৩/যোৱাবেলি তোমাৰ বিদ্যালয়ত অনুষ্ঠিত হোৱা বাৰ্ষিক উৎসৱৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখনি প্ৰতিবেদন লিখা ৫

৪/ তলত দিয়া যিকোনো এটা ফকৰা-যোজনা বুজাই লিখা: ৫

i) চোৰ গ'লে বুদ্ধি, বৰষুণ গ'লে জাপি ii) গোৰ মাৰি গংগাত পেলোৱা

৫/তুমি অলপতে পঢ়া কিতাপ খনৰ বিষয়ে জনাই তোমাৰ মা অথবা দেউতাৰালৈ এখন চিঠি লিখা। চিঠিত নাম আৰু ঠিকনা সাংকেতিক আখৰত লিখিবা। ৫

৬/ তলত দিয়া খণ্ডবাক্য কেইটাৰে বাক্য ৰচনা কৰা- ৫
(যিকোনো ৫ টাৰ)

গা ৰ, ঘৰ গিৰী,আঁঠু চোঙা, গা এৰা দে, ঘৰ কৰ, ঘৰ ল।

## Section -C
## (ব্যাকৰণ)

৭/ উত্তৰ লিখা- ১×২=২

ক) তলত দিয়া শব্দটোত কোনটো উপসৰ্গ লগ লাগিছে বাচি

লিখা:

অৱলম্বন

i) অয়

ii) অৱ

iii) অব

iv)অৱল

খ) তলৰ কোনটো শুদ্ধ নহয়?

i)উপসৰ্গই নিজে কোনো অৰ্থ প্ৰকাশ কৰিব নোৱাৰে।

ii) উপসৰ্গক ধাতু বুলিও কয়।

iii)উপসৰ্গৰ যোগত কেতিয়াবা অন্য অৰ্থও প্ৰকাশ পায়।

iv)উপসৰ্গৰ যোগত কেতিয়াবা বিপৰীত অৰ্থও বুজায়।

৮/ উত্তৰ লিখা: ১×২=২

ক)"ইঁক"অনুসৰ্গ ব্যৱহাৰ হয়-

i)বহুবচনত

ii) আদেশ অৰ্থত

iii) দৃঢ়তা অৰ্থত

iv)একবচনত

খ) তলৰ কোনটো অনুসৰ্গ নহয়?

i)হ'লে

ii) দেই

iii)চোন

iv) অধি

৯/ শুদ্ধ উত্তৰটো বাচি লিখা: ১ ×৪=৪

ক)চলচ্চিত্ৰ শব্দটো কিদৰে সন্ধি হৈছে?

i))চল +চিত্ৰ

ii) চলৎ +চিত্ৰ

www.CBSEtips.in6

iii)চল +ছিত্ৰ
iv) চল +চ্চিত্ৰ

খ) সন্ধি ভাঙা: সংগতি
i)সম্+গতি
ii)সন +গতি
iii) সং+গতি
iv) স +গতি

গ) তলৰ কোনটো শুদ্ধ?
i) নি+ চয়
ii) নি:+ চয়
iii) নি +শ্চয়
iv) নি +শয়

ঘ) সন্ধি কৰা: নি: +অৱচ্ছিন্ন
i)নিৱচ্ছিন্ন
ii) নিৰৱচ্চিন্ন
iii) নিৰৱচ্ছিন্ন
iv) নিঅৱচ্ছিন্ন

১০/ কোনটো কি বাক্য লিখা: ১×২=২
(যিকোনো দুটাৰ)

ক) মই আজি তোমাৰ লগত যাব নোৱাৰিম।
i) ভাৱবোধক
ii) সৰল
iii) মিশ্ৰ
iv) যৌগিক

খ) ইমান পঢ়া-শুনা কৰিলা তথাপি সৎ হ'ব নোৱাৰিলা।
i) সৰল বাক্য
ii) যৌগিক বাক্য
iii) সম্বিধানবোধক বাক্য
iv) জটিল বাক্য

গ) যদিও আজি বতৰ প্ৰতিকূল আছিল, তথাপিও আজিৰ সভাৰ কাৰ্যসূচী সুন্দৰভাৱে সমাপ্ত হৈছিল।
i) জটিল বাক্য
ii) যৌগিক বাক্য
iii) অনুজ্ঞাবোধক বাক্য
iv) সৰল বাক্য

১১/ শুদ্ধ সমাৰ্থক শব্দটো বাচি লিখা: ( যিকোনো চাৰিটাৰ) ১×৪=৪

ক) মেঘ-
i) ভাগ্য
ii) জলদ
iii)অনিল
iv)ৰবি

খ) হাতী-
i)ঐৰাৱত।
ii)সুধাকৰ
iii)লোচন
iv)জগদীশ

গ) বায়ু-
i) সমীৰণ

ii)মাতঙ্গ
iii) সবিতা
iv)পাৰক

www.CBSEtips.in9

ঘ)নদী-
i) অংশুমালী
ii) স্রোতৱতী
iii)ধৰিত্ৰী
iv)ত্ৰিযামা

ঙ) নৰেশ্বৰ--
i)নয়ন
ii)ৰাজন
iii)ৰজনী
iv)মিহিৰ

১২/ তলত দিয়া শব্দ দুটাত কি তদ্ধিত প্ৰত্যয়  যোগ হৈছে শুদ্ধ উত্তৰটো বাচি লিখা: ১×২=২

ক) নাৱৰীয়া:
i) ৰিয়া
ii) অৰীয়া
iii) ৰীয়া
iv) অৰিয়া

খ) মাছুৱৈ--
i) ৱৈ
ii) ঊৱৈ
iii) উৱৈ

iv) ঐ



১৩/ তলত দিয়া শব্দকেইটাৰ শুদ্ধ  বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা:
(যিকোনো দুটাৰ) ১×২=২

ক) আৰোহন:
i) শিষ্ট
ii) অৱৰোহণ
iii) দুৰ্গম
iv) গৌন

খ) উদাৰ:
i)অনুদাৰ
ii) কৃপন
iii)গৰ্ব
iv)সংকীৰ্ণ

গ) উক্ত:
i) অধ:
ii) ঘন
iii)বৃদ্ধি
iv)অনুক্ত

১৪/উত্তৰ লিখা: ১×২=২
ক)  অসমীয়া ভাষাত স্ত্ৰী প্ৰত্যয় কেইটা?
i) এটা
ii) দুটা
iii) তিনিটা
iv) চাৰিটা

www.CBSEtips.in11

খ) লিংগ পৰিবৰ্তন কৰা: বিয়ৈ
i) আমৈ
ii) বিয়ৈনী
iii) আমৈনী
iv) বিয়নী

## Section-D
## (গদ্য ভাগ)

১৫/ তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা: ৪

ক)ল'ৰা-ছোৱালীৰ কামৰ পাৰ্থক্য দেখি পাহিয়ে মাকক কি কৈছিল? মাকে ইয়াৰ প্ৰত্যুত্তৰত পাহিক কি বুজনি দিছিল?

খ) তাৎপৰ্য বুজাই লিখা:" গাওঁ একেধাৰে নগৰৰ জনক- জননী।"

১৬/ চমু উত্তৰ লিখা: ২

(যিকোনোএটাৰ)

ক) "ছাত্ৰ- জীৱন আৰু সমাজ সেৱা" পাঠটিত বৰ্তমানৰ প্ৰচলিত শিক্ষাৰ দোষ কি বুলি কৈছে?

খ) মহীচন্দ্ৰ মিৰি কোন?কাজিৰঙাক বিশ্ব দৰবাৰত চিনাকি কৰি দিবলৈ তেওঁ কেনে ভূমিকা লৈছিল?

১৭/ শুদ্ধ উত্তৰটো বাচি লিখা: ১×৪=৪

ক) "ছাত্ৰ-জীৱন আৰু সমাজ সেৱা"- প্ৰৱন্ধটো ------ আলোচনীত প্ৰকাশিত।
i) জোনাকী
ii) বাঁহী
iii)আৱাহন।

iv)মুকুতা

খ) প্ৰকৃত নাৰায়ণ সেৱা বুলি কাক কৈছে ?

i) ভগৱান সেৱা

ii) সমাজ সেৱা

iii) নৰ সেৱা

iv) দেশ সেৱা

গ) তলৰ খালীঠাইৰ শুদ্ধ বিকল্পটো বাচি উলিওৱা।

বিদ্যালয়ৰ গৰমৰ বন্ধত ----- শ্ৰেণীৰ ছাত্ৰ- ছাত্ৰীক শৈক্ষিক ভ্ৰমণলৈ নিয়া হৈছিল।

i) সপ্তম আৰু নৱম

ii) অষ্টম আৰু সপ্তম

iii) অষ্টম আৰু নৱম

iv) নৱম আৰু দশম

ঘ) ইয়াণ্ডাবু সন্ধি হৈছিল-

i) ১৮২৬ চনত

ii) ১৮৬২ চনত

iii )১৬২৮ চনত

iv) ২৬১৮ চনত

(পদ্যভাগ)

১৮/উত্তৰ লিখা- ৪

ক) তোমাৰ পাঠত থকা বৰগীতটিৰ মূলভাৱ লিখা।

অথবা,

খ) "মক্কাৰ দুৱাৰত চাহাব জীৱই মাৰে তালি।
যেনে শালে শ'লৰ লগত দৰিকাৰ টপালি।।" - উল্লিখিত কবিতা ফাঁকিৰ অন্তৰ্নিহিত ভাৱ বিশ্লেষণ কৰা।

১৯/উত্তৰ লিখা:( যিকোনোএটাৰ) ২

ক) বৰগীতৰ দুটা লক্ষণ লিখা।

খ)"ৰহমৰ গিৰিহঁত তুমি আল্লা চাহাব ঐ
যদি কৰা দৰিয়াৰ পাৰ।।"

ওপৰৰ কবিতা ফাঁকিত 'ৰহমৰ গিৰিহঁত' বুলি কাক আৰু কি অনুৰোধ কৰিছে?

২০/ শুদ্ধ উত্তৰটো বাচি উলিয়াই
লিখা: ১×৪=৪

ক) ব্ৰজাৱলী ভাষাৰ মূল ভেটি -

i) অসমীয়া

ii) বিহাৰী

iii) ভোজপুৰী

iv) মৈথিলী

খ) "ভোজনবিহাৰ"শ্ৰী শ্ৰী মাধৱদেৱে ৰচনা কৰা এখন -----

i) ঝুমুৰা।

ii)নাট

iii) তত্ত্বমূলক ৰচনা

iv ) আখ্যানমূলক ৰচনা

গ) ৰচুল বুলিলে আমি বুজোঁ-

i) ধ্ৰুৱ নক্ষত্ৰ

ii) আকাশ

iii) দেৱদূত

iv)বিশ্বাসী মুছলমান

ঘ) তলৰ খালীঠাইত শুদ্ধ বিকল্পটো বাচি উলিওৱা:

অনেক জিকিৰত ------- প্ৰতিধ্বনি শুনা যায়।

i) বৰগীতৰ আৰু বৈষ্ণৱ সাহিত্যৰ

ii) টোকাৰি গীতৰ আৰু প্ৰাৰ্থনা গীতৰ
iii) লোকগীতৰ আৰু প্ৰাৰ্থনা গীতৰ
iv) বৈষ্ণৱ সাহিত্য আৰু লোকগীতৰ

www.CBSEtips.in

▢ ----------------------------------------

-------------- – --------------------------------------------------------------------------

▢

▢

☑